**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং : ৪২৩**
**উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬**

বিষয় : উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়

বিধায়ক : মো: নুৰুল ইছলাম :

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সৃজনগ্ৰাম সমষ্টিৰ ভিতৰত সৰ্বমুঠ কিমানখন গাঁও পঞ্চায়ত অন্তৰ্গত হৈ আছে? এই গাঁও পঞ্চায়ত সমূহৰ ভিতৰত কোনটো গাঁও পঞ্চায়ত কোন উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়ৰ অন্তৰ্গত? ( বিস্তৃত তথ্যসহ দিব)

(খ) ইয়াৰে সৃজনগ্ৰাম উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়টো কোনটো বিধানসভা সমষ্টিৰ এলেকাত অৱস্থিত?

(গ) সৃজনগ্ৰাম খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়টো সৃজনগ্ৰাম সমষ্টিৰ ভৌগোলিক এলেকাৰ বাহিৰত অৱস্থিত থকা বাবে সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ ৰাইজৰ সমস্যা হোৱাৰ বিষয়ে চৰকাৰ অৱগত হয় নে? (বিস্তৃত তথ্যসহ দিব)

(ঘ) সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত এলেকাৰ যিকেইখন গাঁও পঞ্চায়ত সৃজনগ্ৰাম সমষ্টিৰ বাহিৰত অৱস্থিত সৃজনগ্ৰাম খণ্ড উন্নয়ন বিষয়া কাৰ্য্যালয়ৰ অন্তৰ্ভুক্ত হৈ আছে, সেইকেইখন গাঁও পঞ্চায়তক লৈ সৃজনগ্ৰাম সমষ্টিৰ ভিতৰত দ্বিতীয়খন খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় স্থাপনৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিব নে? (বিস্তৃত তথ্যসহ দিব)

## <u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা দেৱে উত্তৰ দিবঃ

ক) সৃজনগ্ৰাম সমষ্টিৰ ভিতৰত সৰ্বমুঠ তেইশ (২৩) খন গাঁও পঞ্চায়ত অন্তৰ্গত হৈ আছে। উন্নয়ন খণ্ড ভিত্তিক গাঁও পঞ্চায়তৰ তথ্য **পৰিশিষ্ট 'ক'** ত সংলগ্ন কৰা হ'ল।

খ) সৃজনগ্ৰাম উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়টো অভয়াপুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত।

গ) এই সন্দৰ্ভত চৰকাৰে বৰ্তমানলৈ কোনো ধৰণৰ ওজৰ আপত্তি লাভ কৰা নাই ।প্ৰয়োজন অনুসৰি চৰকাৰে যথোপযুক্ত ব্যৱস্থা লব।

ঘ) এই বিষয়ত চৰকাৰে কোনো ধৰণৰ পদক্ষেপ বৰ্তমানলৈ গ্ৰহণ কৰা নাই। প্ৰয়োজন অনুসৰি চৰকাৰে যথোপযুক্ত ব্যৱস্থা লব।

**(Replies and enclosures have been uploaded in the www.cms.neva.gov.in portal)**

**পৰিশিষ্ট ‘ক’**

| ক্ৰমিক নং | উন্নয়ন খণ্ড | গাঁও পঞ্চায়ত |
|---|---|---|
| ১ | সৃজনগ্ৰাম | আমবাৰী বাৰেগড় |
| ২ | | বালাৰচৰ মাত্ৰাঘোলা |
| ৩ | | বাসবাৰী চালাবিলা |
| ৪ | | গোলাপাৰা বাংলাপাৰা |
| ৫ | | জপিয়া |
| ৬ | | কচাৰীপেটি |
| ৭ | | কোকিলা |
| ৮ | | লেংটিচিঙা |
| ৯ | | নাম্বাৰপাৰা চাকলা |
| ১০ | | ৰঙাপানী |
| ১১ | | সন্তোষপুৰ ডোমেৰগুৰী |
| ১২ | টাপাট্টাৰী | বালাপাৰা |
| ১৩ | | বৰজানা |
| ১৪ | | ধানটোলা |
| ১৫ | | যোগিঘোপা |
| ১৬ | | কবৈটাৰি |
| ১৭ | | মালেগড় |
| ১৮ | | মেৰেৰচাৰ |
| ১৯ | | নসত্ৰ বাঘেখাইটি |
| ২০ | | ঔডুবি |
| ২১ | | পশ্চিম মাজেৰ আলগা |
| ২২ | | পীৰাধৰা |
| ২৩ | | পূব মাজেৰ আলগা |